**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, ভাৰতীয় সেনা অগ্নিবীৰ সকলৰ কল্যাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি আস্তানাত চীনৰ বিদেশ মন্ত্ৰী ৱাং য়িক সাক্ষাৎ কৰে।

৩। অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহৰ দ্ৰুত তথা সৰ্বাত্মক বিকাশৰ লক্ষ্যৰে ৰাজ্যৰ কেইবাখনো জিলাত আজিৰেপৰা সম্পূৰ্ণতা অভিযান ৰূপায়ণ কৰা হৈছে।

৪। ৰাসায়নিক আৰু পেট্ৰ' কেমিকেল সচিব নিবেদিতা শুক্লা বাৰ্মাই আজি নতুন দিল্লীত চাৰিদিনীয়াকৈ আয়োজিত পুনৰ ব্যৱহাৰযোগ্য আৰু বহনক্ষম প্লাষ্টিক তথা আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনী শীৰ্ষক গোলকীয় অভিৰ্ৱতন উদ্বোধন কৰে। **আৰু**

৫। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খিতাপজয়ী ভাৰতীয় পুৰুষ ক্ৰিকেট দলটোক আজি নতুন দিল্লীত সাক্ষাৎ কৰে।

0000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, ভাৰতীয় সেনা অগ্নিবীৰ সকলৰ কল্যাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীসিঙে অগ্নিবীৰ অজয় কুমাৰক প্ৰদান কৰা বেতন তথা অন্যান্য সা-সুবিধাসমূহৰ বিষয়ে ভাৰতীয় সেনা বাহিনীয়ে দিয়া স্পষ্টিকৰণ সম্পৰ্কে প্ৰকাশ কৰিছে। ভাৰতীয় সেনাই কৈছে যে, কৰ্তব্যৰত অৱস্থাত প্ৰাণ হেৰুৱা অগ্নিবীৰ অজয় কুমাৰৰ নিকটাত্মীয়ক কোনোধৰণৰ ক্ষতিপূৰণ দিয়া হোৱা নাই বুলি দিয়া কিছুমান বাৰ্তা সামাজিক মাধ্যমত দেখিবলৈ পোৱা গৈছে। বাহিনীটোৱে কৈছে যে, ভাৰতীয় সেনাই অগ্নিবীৰ অজয় কুমাৰৰ সৰ্বোচ্চ ত্যাগক সন্মান জনায় আৰু তেওঁৰ শেষকৃত্যও সম্পূৰ্ণ সৈনিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। ভাৰতীয় সেনাই লগতে কয় যে, অগ্নিবীৰ অজয়ৰ পৰিয়ালক প্ৰদান কৰিবলগীয়া সম্পূৰ্ণ মূল্যৰ ভিতৰত ৯৮ লাখ ৩৯ হাজাৰ টকা ইতিমধ্যে দিয়া হৈছে। বাহিনীটোৱে কয় যে, অগ্নিবীৰ আঁচনিৰ অধীনত লাভ কৰিবলগীয়া এককালীন সাহায্য আৰু অন্যান্য সা-সুবিধাসমূহৰ পৰিমাণ হৈছে প্ৰায় ৬৭ লাখ টকা আৰু আৰক্ষীৰ সত্যাসত্য নিৰ্দ্ধপনৰ পাছতে বাকী থকা মূল্য পৰিশোধ কৰা হ'ব। তেওঁৰ পৰিয়ালে লাভ কৰিবলগীয়া সম্পূৰ্ণ পৰিমাণ হৈছে প্ৰায় ১ কোটি ৬৫ লাখ টকা। ভাৰতীয় সেনা বাহিনীয়ে লগতে অগ্নিবীৰকে ধৰি শ্বহীদ হোৱা সকলো সৈনিকৰে নিকটাত্মীয়ই পাবলগীয়া ক্ষতিপূৰণ প্ৰদানৰ ক্ষেত্ৰত দ্ৰুত পদক্ষেপ গ্ৰহণ কৰে বুলিও সজোৰে প্ৰকাশ কৰে।

0000000

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি আস্তানাত চীনৰ বিদেশ মন্ত্ৰী ৱাং য়িক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই সীমান্ত অঞ্চলৰ বাকী থকা বিষয়সমূহৰ ক্ষেত্ৰত আগতীয়া সমাধান সম্পৰ্কে পৰ্যালোচনা কৰে। উভয় পক্ষই সামৰিক আৰু কূটনৈতিক দুয়োটা ক্ষেত্ৰতে প্ৰচেষ্টা দুগুণ বৃদ্ধি কৰি এই লক্ষ্যত উপনীত

হোৱাৰ বাবে সমৰ্থন আগবঢ়ায়। ড০ জয়শংকৰে কয় যে, প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা এল এ চিৰ প্ৰতি সন্মান ৰাখি সীমান্ত অঞ্চলৰ শান্তি আৰু সম্প্ৰীতি নিশ্চিত কৰাটো অতি প্ৰয়োজন। তেওঁ কয় যে, ভাৰত-চীন দ্বিপাক্ষিক বান্ধোন, তিনিটা পাৰস্পৰিক নীতি অৰ্থাৎ পাৰস্পৰিক সন্মান, পাৰস্পৰিক আগ্ৰহ আৰু পাৰস্পৰিক সংবেদনশীলতাই নিৰ্ধাৰিত কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি স্বামী বিবেকানন্দৰ মৃত্যু তিথি উপলক্ষে তেওঁলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, স্বামী বিবেকানন্দৰ শিকনিসমূহে লক্ষ লক্ষ জনসাধাৰণক সাহস প্ৰদান কৰি আহিছে। তেওঁ কয় যে, স্বামী বিবেকানন্দৰ গভীৰ জ্ঞান আৰু জ্ঞান আহৰণৰ প্ৰতি থকা নিৰন্তৰ প্ৰয়াস অতি প্ৰেৰণাদায়ক। প্ৰধানমন্ত্ৰী মোদীয়ে সমৃদ্ধিশালী আৰু উন্নত সমাজ গঢ়াৰ প্ৰতি স্বামী বিবেকানন্দই দেখা সপোন বাস্তৱায়িত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ দায়বদ্ধতাৰ কথা দোহাৰে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি অষ্ট্ৰেলিয়াৰ উপ-প্ৰধানমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰিছাৰ্ড মাৰ্লেছৰ সৈতে টেলিফোনযোগ বাৰ্তালাপ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীসিঙে কয় যে, তেওঁলোকে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত প্ৰতিৰক্ষা সহযোগিতাৰ বিভিন্ন দিশ আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বিভিন্ন ক্ষেত্ৰত নিকট সহযোগিতা সম্পৰ্কে পৰ্যালোচনা কৰে। তেওঁ কয় যে, ভাৰতে অষ্ট্ৰেলিয়াৰ সৈতে বিস্তৃত কৌশলগত সহযোগিতাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰে।

০০০০০০০

অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহৰ দ্ৰুত তথা সৰ্বাত্মক বিকাশৰ লক্ষ্যৰে ৰাজ্যৰ কেইবাখনো জিলাত আজিৰেপৰা **সম্পূৰ্ণতা অভিযান** ৰূপায়ণ কৰা হৈছে। অসমৰ বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা,ওদালগুৰি আৰু হাইলাকান্দিকে ধৰি মুঠ ৭খন জিলা তথা ২০টা উন্নয়ন খণ্ড এলেকাক এই অভিযানে সামৰি লৈছে।

উল্লেখযোগ্য যে বৰ্তমানলৈ উন্নয়নৰ সুফল নোপোৱা দেশৰ ভিন্ন প্ৰান্তৰ অঞ্চলক সামৰি কেন্দ্ৰীয় চৰকাৰে এনে অঞ্চলসমূহৰ দ্ৰুত উন্নয়নৰ লক্ষ্যৰে **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰিছে। নীতি আয়োগে আৰম্ভ কৰা এই অভিযান ৩০ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এই অভিযানৰ জৰিয়তে অভিলাষী জিলা কাৰ্যসূচী আৰু অভিলাষী খণ্ড কাৰ্যসূচীৰ অধীনত ১১২ খন অভিলাষী জিলা আৰু ৫০০টা অভিলাষী খণ্ডৰ ৬ নিৰ্বাচিত সূচক পৰ্যন্ত উন্নয়নৰ লক্ষ্যত উপনীত হ'বলৈ বিচৰা হৈছে।

**সম্পূৰ্ণতা অভিযান**ৰ অভিলাষী জিলাৰ কাৰ্যসূচীয়ে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, বিত্তীয় চামিলকৰণ, দক্ষতা বিকাশ আৰু আন্তঃগাঁথনিক সামৰি লোৱাৰ বিপৰীতে অভিলাষী খণ্ড কাৰ্যসূচীয়ে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু কৃষি সম্বন্ধীয় অন্যান্য সেৱা, প্ৰাথমিক স্তৰৰ আন্তঃগাঁথনি তথা সামাজিক উন্নয়নক সামৰি লোৱা হৈছে। এই অভিযানৰ অধীনত জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক

চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায় বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০০

ৰাসায়নিক আৰু পেট্ৰ' কেমিকেল সচিব নিবেদিতা শুক্লা বাৰ্মাই আজি নতুন দিল্লীত চাৰিদিনীয়াকৈ আয়োজিত পুনৰ ব্যৱহাৰযোগ্য আৰু বহনক্ষম প্লাষ্টিক তথা আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনী শীৰ্ষক গোলকীয় অভিৰ্বতন উদ্বোধন কৰে। এই অভিৰ্বতনে উদ্যোগসমূহৰ নেতা, ষ্টাৰ্টআপ আৰু পৰিবেশ বিশেষজ্ঞসকলক প্লাষ্টিক উদ্যোগৰ বহন ক্ষমতা লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত তেওঁলোকৰ শেহতীয়া অগ্ৰগতি আৰু মতাদৰ্শসমূহ প্ৰদৰ্শনৰ ক্ষেত্ৰত এখন বিশেষ মঞ্চ প্ৰদান কৰিব। এই প্ৰদৰ্শনীত বিভিন্ন গোটৰ অংশীদাৰসকলৰ লগতে উদ্যোগসমূহৰ নেতা, উদ্ভাৱক, নীতি নিৰ্ধাৰক আৰু পৰিবেশ বিশেষজ্ঞসকলে একেলগে অংশগ্ৰহণ কৰিছে। এই প্ৰদৰ্শনীয়ে সমগ্ৰ দেশৰে প্লাষ্টিক পুনৰ ব্যৱহাৰকাৰী, যান্ত্ৰিক প্ৰস্তুতকৰ্তা, আৱৰ্জনাৰ সমাধান প্ৰদানকাৰী, পুনৰ ব্যৱহাৰযোগ্য সামগ্ৰীৰ ব্যৱসায়ী, যোগানকাৰী, বায়' পলিমাৰ আৰু মিশ্ৰ সাৰ উৎপাদনকাৰী সকলৰ লগতে আন আন বিভিন্ন উদ্যোগীকো আকৰ্ষণ কৰিছে। পুনৰ ব্যৱহাৰযোগ্য প্লাষ্টিক উদ্যোগ ২০৩৩ চন পৰ্যন্ত ৬৯০ কোটি ডলাৰলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

দেশত কয়লাৰ উৎপাদন ১৪ দশমিক ৫ শতাংশ বৃদ্ধি পাই যোৱা জুনত ৮ কোটি ৬৬ লাখ ৩০ হাজাৰ টন হৈছে। যোৱা বছৰ এই একে সময়ছোৱাত এই পৰিমাণ ৭ কোটি ৩৯ লাখ ২০ হাজাৰ টন আছিল। কয়লা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি ক'ল ইণ্ডিয়া লিমিটেডে ৮ দশমিক ৮-৭ শতাংশৰ বৃদ্ধিৰে ৬ কোটি ৩১ লাখ টন কয়লা উৎপাদন কৰিছে। ইয়াৰ উপৰি জুনত অন্য কোম্পানীসমূহে ১ কোটি ৬০ লাখ ৩০ হাজাৰ টন কয়লা উৎপাদন কৰে। এই পৰিমাণ যোৱা বছৰৰ তুলনাত ৫৫ দশমিক ৪-৯ শতাংশ অধিক।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খিতাপজয়ী ভাৰতীয় পুৰুষ ক্ৰিকেট দলটোক আজি নতুন দিল্লীত সাক্ষাৎ কৰে। ইয়াৰ পূৰ্বে দলটো ৰাষ্ট্ৰীয় ৰাজধানীৰ ছেভেন লোক কল্যাণ মাৰ্গত থকা থকা প্ৰধানমন্ত্ৰী বাসগৃহত উপস্থিত হয়। উল্লেখযোগ্য যে কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই দলটোক আদৰণি জনাই কয় যে, সমগ্ৰ দেশে বাৰবাডোজৰ ভূমিত ভাৰতীয় ত্ৰিৰংগা উৰুৱাই অহা দলটোক স্বাগতম জনাবলৈ অধীৰ আগ্ৰহেৰে বাট চাই আছিল। বি চি চি আইৰ উপাধ্যক্ষ ৰাজীৱ শুক্লাই খিতাপ জয়ৰ বাবে সকলো খেলুৱৈ, দলৰ ব্যৱস্থাপনা আৰু বি চি চি আইৰ বিষয়াসকলক কৃতিত্ব দিয়ে। প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰাৰ পাছতে ভাৰতীয় দলটো মুম্বাইলৈ উৰা মাৰে। মুম্বাইত দলটোক আদৰাৰ বাবে মুক্ত বাহনযোগে শোভাযাত্ৰাৰ আয়োজন কৰা হৈছিল। অধিনায়ক ৰোহিত শৰ্মাক এই বিজয় উদযাপন কাৰ্যসূচীত যোগদান কৰিবৰ বাবে অনুগামীসকলে আন্তৰিকতাৰে আমন্ত্ৰণ জনাইছে।

০০০০০০০

সমাপ্ত